# পেয়াভুলা ভেঙ্গামা

# বনাম

# পেয়াভুলা কেশন্না আৰু অন্যান্য

[ন্যায়াধীশ সকল- মুখাৰ্জী, চন্দ্ৰশেখৰ আয়াৰ আৰু ভাগৱতী]

*আৰ্বিট্ৰেচন (মধ্যস্থতা) - মধ্যস্থতাকাৰীয়ে আনটো পক্ষৰ অনুপস্থিতিত এটা পক্ষৰ পৰা স্টেটমেন্ট (বিবৃতি) লোৱা কাৰ্য্য- লিগেল মিচকন্দাক্ট (আইনী দুৰাচাৰ) - ৰায়দানৰ প্ৰযোজ্যতা- অন্যায়ৰ অন্বেষণ।*

ভাৰতীয় মধ্যস্থতা আইনৰ ধাৰা ২১-ৰ অধীনত এক মধ্যস্থতাত, মধ্যস্থতাকাৰীয়ে আনপক্ষৰ অনুপস্থিতিত প্ৰতিটো পক্ষৰ পৰা বিবৃতি লৈছিল আৰু ৰায় দিছিল:- *এই কথা উপস্থাপন কৰা হৈছিল* যে, ন্যায় প্ৰশাসনৰ এক প্ৰাৰম্ভিক নিয়ম অনুসৰি, আদালতৰ দ্বাৰা বা উকীল বা ব্যৱসায়ীৰ মধ্যস্থতাৰ দ্বাৰা, কোনো এক পক্ষকে ন্যায়াধীশ বা মধ্যস্থতাকাৰীক প্ৰভাৱিত কৰিবলৈ কোনো কৌশল ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া নহয়, যি কৌশলৰ সংস্পৰ্শলৈ অহা বা প্ৰতিৰোধ কৰিবলৈ আন পক্ষ সক্ষম নহ'ব; ইয়াৰদ্বাৰা মধ্যস্থতাকাৰীজন আইনী দুৰাচাৰৰ দোষী হ'ব; লগতে এই দুৰাচাৰ কোনো এজনৰ প্ৰতি অন্যায় কৰিছে নে এই সত্য নিৰ্বিশেষে, ৰায়দান বিকৃত কৰাত পৰ্যাপ্ত আছিল।

*হাৰ্ভি বনাম শ্বেল্টন* (১৮৪৪) ৭ বীভ. ৪৫৫, *গণেশ নাৰায়ণ সিং বনাম মালিদা কোয়েৰ* (১৯১১) ১৩ কেল. এল. জে. ৩৯৯, আৰু *হেইভ বনাম হেইভ* (১৮৬১) ৩১ এল.জে.চ. ৪২০-ত উল্লিখিত-

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ৩৭-১৯৫২।

১৯৪৫চনৰ ১অক্টোবৰ তাৰিখে অনন্তপুৰৰ জিলা ন্যায়াধীশৰ আদালতৰ ১৯৪৫ চনৰ মূল আবেদন নং ১৫-ৰ ৰায় আৰু ডিক্ৰি (আদেশ) -ৰ ফলত উদ্ভৱ হোৱা ১৯৪৫ চনৰ ৬৮৮নং এ.এ.ও.-ত মাদ্ৰাজ উচ্চন্যায়ালয়ৰ (ন্যায়াধীশসকল মেনন আৰু মেক) ১৯৪৮চনৰ ৪ ছেপ্টেম্বৰৰ ৰায় আৰু ডিক্ৰিৰ ওপৰত আপীল।

*ডি. মুনিকানিয়াহ* (*জে. বি. দাদাচন্দজীৰ* সৈতে) আপীলকাৰীৰ পক্ষত।

*এছ. পি. সিনহা* (*এম., অ. চিন্নাপ্পা ৰেড্ডি* আৰু *কে. আৰ. চৌধুৰীৰ* সৈতে) উত্তৰদাতাৰ পক্ষত।

আদালতৰ ৰায়দান- ২৯অক্টোবৰ ১৯৫২।

ন্যায়াধীশ ভাগৱতী- বাদীয়ে *ইন্টাৰ এলিয়া* (অন্যান্য বিষয়ৰ সৈতে) মধ্যস্থতাকাৰীৰ আইনী ভুলেৰে দিয়া ৰায় একাষৰীয়া কৰিবলৈ অনন্তপুৰ জিলা ন্যায়াধীশৰ আদালতত ১৯৪৫চনৰ মূল আবেদন নং১৫ দাখিল কৰিছিল। বিচাৰ আদালতখনে এই ৰায় একাষৰীয়া কৰিছিল। আপীলত উচ্চ ন্যায়ালয়ে ৰায় সলনি কৰিছিল আৰু বাদীৰ মোকৰ্দমা খাৰিজ কৰিছিল। সেই সিদ্ধান্তৰ বিপক্ষে বাদীয়ে উচ্চ ন্যায়ালয়ৰ প্ৰমাণপত্ৰৰ সৈতে এই আপীল দাখিল কৰিছে।

১৯২৭ চনত এজন পি. নাৰায়ণপ্পা নামৰ লোকৰ মৃত্যু হৈছিল। তেওঁ বাদী- বিধৱা পত্নী, ১নং বিবাদী- সম্পত্তিৰ সমঅধিকাৰ থকা ভাতৃ, ২নং বিবাদী- আন এজন পূৰ্বতে- মৃত ভাতৃৰ পুত্ৰ আৰু ৩নং বিবাদী- পূৰ্বতে-মৃত পত্নীৰ পুত্ৰ উত্তৰাধিকাৰী ৰূপে এৰি গৈছে। মৃতব্যক্তিজনে ১৯২৭ চনৰ ১মে তাৰিখে এখন উইল (ইচ্ছাপত্ৰ) কৰিছিল, য'ত পত্নীৰ ভৰণ-পোষণ লগতে বাসগৃহৰ কিছু ব্যৱস্থা কৰা হৈছিল। বাদীজনে পৰিয়ালৰ সৈতে কিছুদিন আছিল, কিন্তু তেওঁতকৈ জ্যেষ্ঠ, ১নং বিবাদীৰ পত্নীৰ মাজত উদ্ভৱ হোৱা বিবাদ বাবে পৰিয়ালৰ বাসগৃহ এৰি যাব লগা হৈছিল। তেওঁ মাকৰ সৈতে এঘাৰ বছৰ ধৰি বাস কৰে আৰু অৱশেষত পাবলগীয়া ভৰণ-পোষণ, ইতিমধ্যে পাবলগীয়া ভৰণ-পোষণৰ বাকী থকা অংশ, বাসস্থান আৰু ঘৰুৱা বাচন-বৰ্তনৰ লগতে স্ত্ৰীধন হিচাপে কিছু গহনা আৰু কাপোৰ পুনৰুদ্ধাৰ বাবে অনন্তপুৰ জিলাৰ ন্যায়াধীশৰ আদালতত ১৯৪৩ চনৰ ফৰ্মা পপাৰিচ (দৰিদ্ৰ শ্ৰেণীৰ লোকে দাখিল কৰিব পৰা গোচৰ) অ.এচ. ১৯নং গোচৰ ৰুজু কৰিছিল। বিবাদীসকলে বাদীৰ এই দাবীৰ বিৰোধিতা কৰিছিল যে, ১মে ১৯২৭ তাৰিখৰ ইচ্ছাপত্ৰৰ অধীনত তেওঁৰ ভৰণ-পোষণ আৰু বাসস্থানৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰা হৈছিল, যি মহিলাগৰাকীৰ দখলত আছিল আৰু সম্পত্তি উপভোগ কৰিছিল আৰু সেয়ে দাবীটো বহনক্ষম নহয়। তেওঁৰ গহনা আৰু কাপোৰৰ দাবী বিবাদীয়ে অস্বীকাৰ কৰিছিল।

অনন্তপুৰৰ অধীনস্থ ন্যায়াধীশৰ সন্মুখত গোচৰটো শুনানি আৰু চূড়ান্ত নিষ্পত্তিৰ বাবে আহিছিল। য'ত বাদীক, বাদী নং১ হিচাপে পৰীক্ষা কৰা হৈছিল, ১৯৪৫চনৰ ২৭ফেব্ৰুৱাৰীত মধ্যস্থতা আইনৰ ধাৰা ২১-ৰ অধীনত সকলো পক্ষই এখন আবেদন দাখিল কৰিছিল যে, শ্ৰী কনাকোণ্ডলা ৰায়ল্লা গোবিন্দপ্পা গাৰুক মোকৰ্দমাটোত বিবাদ নিষ্পত্তিৰ বাবে 'একমাত্ৰ মধ্যস্থতাকাৰী' হিচাপে নিযুক্তি দিবলৈ সন্মত হৈছে আৰু তেওঁৰ সিদ্ধান্ত মানি চলিবলৈ তেওঁলোক সাজু আৰু আদালতক আবেদন, লিখিত বিবৃতি আৰু অন্যান্য নথি ইত্যাদি মধ্যস্থতাকাৰীলৈ সিদ্ধান্তৰ উদ্দেশ্যত প্ৰেৰণ কৰিবলৈও অনুৰোধ কৰে। এই মধ্যস্থতা প্ৰসংগত আদালতে কৰণীয়খিনি কৰিছিল। মধ্যস্থতাকাৰীয়ে এই প্ৰসংগত বিবেচনা কৰে আৰু ১৯৪৫ চনৰ ৬ মাৰ্চ তাৰিখে বাদীক সোধপোচ কৰি বিবৃতি লয়, যি নথিভুক্ত প্ৰদৰ্শক নং ৪। একেদৰে তেওঁ ১০ মাৰ্চ, ১৯৪৫ তাৰিখত বিবাদী নং১-ক সোধপোচ কৰিছিল, বিবৃতি নথিভুক্ত প্ৰদৰ্শক নং ৫। দুয়োটা বিবৃতি পোৱাৰ পিছত ১২মাৰ্চ, ১৯৪৫-ত মধ্যস্থতাকাৰীয়ে সিদ্ধান্ত প্ৰস্তুত লগতে প্ৰকাশ কৰিছিল। বাদীৰ দ্বাৰা এই সিদ্ধান্তক প্ৰত্যাহ্বান জনোৱা হৈছে।

মধ্যস্থতাকাৰীজনৰ বিৰুদ্ধে উত্থাপিত আইনী দুৰাচাৰৰ অভিযোগ আছিল যে, তেওঁ আন পক্ষৰ অনুপস্থিতি প্ৰতিটো পক্ষক পৰীক্ষা কৰিছিল। বাদীৰ পক্ষত যুক্তি দিয়া হৈছিল যে, যদিও মধ্যস্থতাৰ প্ৰসংগত আবেদন, লগতে প্ৰদৰ্শক নং ৪ আৰু ৫-এ মধ্যস্থতাকাৰীক প্লেইণ্ট আৰু লিখিত বিবৃতি বিবেচনা কৰি গোচৰটো নিষ্পত্তি কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল, কিন্তু মধ্যস্থতাকাৰীয়ে বাদীৰ অনুপস্থিতিত বিবাদী ১-ক পৰীক্ষা কৰিছিল, লগতে বাদীক বিষয়টোত মতামতৰ সুযোগ নিদিয়াকৈ ১মে, ১৯২৭-ৰ নিষ্পত্তিৰ সিদ্ধান্ত বিবেচনা কৰিছিল আৰু এনেদৰে আইনী দুৰাচাৰৰ দোষী হৈছিল। আনহাতে, বিবাদীৰ পক্ষত যুক্তি দিয়া হৈছিল যে, মধ্যস্থতাকাৰীয়ে যি কৰিছিল সেয়া আছিল কেৱল পক্ষবোৰৰ আবেদনৰ অনুৰোধৰ পুনৰাবৃত্তি- যে, তেওঁ আবেদনৰ আধাৰত সিদ্ধান্ত প্ৰদান কৰক, তাৰোপৰি বিবাদী ১-ৰ কোনো ধৰণৰ লিখিত বিবৃতিৰ উক্তি, মধ্যস্থতাকাৰীৰ উল্লেখত স্থান পোৱা নাছিল আৰু সেয়েহে মধ্যস্থতাকাৰীজন আইনী দুৰাচাৰত দোষী নাছিল।

১৯৪৫চনৰ ফেব্ৰুৱাৰীৰ ২৭তাৰিখে পক্ষসমূহে দাখিল কৰা আবেদনে মধ্যস্থতাকাৰীক কোনো বিশেষ ক্ষমতা প্ৰদান কৰা নাছিল। মধ্যস্থতাকাৰীক

মোকৰ্দমাটোত বিবাদ নিষ্পত্তিৰ বাবে নিযুক্ত কৰা হৈছিল আৰু পক্ষবোৰে তেওঁৰ সিদ্ধান্ত মানি চলিবলৈ সন্মত আছিল। প্লেইণ্ট, লিখিত বিবৃতি আৰু আন নথি তেওঁৰ সিদ্ধান্তৰ বাবে তেওঁলৈ প্ৰেৰণ কৰিবলৈ সন্মত হৈছিল আৰু যদি মধ্যস্থতাকাৰীজনক আদালতে তেওঁক দিয়া প্লেইণ্ট আৰু লিখিত বিবৃতিবোৰ বিবেচনা কৰি আদেশ দিবলৈ কোৱা হয়, তেন্তে আমি কোনো কাৰণ দেখা নাই মধ্যস্থতাকাৰীজন কিয় বাদী আৰু বিবাদী ১-ক লগ ধৰি বিবৃতি লিপিবদ্ধ কৰিব। বাদীৰ বিবৃতিত মধ্যস্থতাকাৰীলৈ অনুৰোধ এয়ে আছিল যে, তেওঁ প্লেইণ্ট আৰু লিখিত বিবৃতি বিবেচনা কৰিব লাগে আৰু আইন অনুসৰি সিদ্ধান্ত দিব লাগে। অৱশ্যে বিবাদী নং১-ৰ বিবৃতিত কেৱল এই অনুৰোধটোৰে পুনৰাবৃত্তি কৰা নাছিল যদিও, তথ্য বিষয়ক কেইবাটাও বিবৃতি প্ৰকাশ হৈছিল, যিবোৰ তেওঁৰ লিখিত বিবৃতিত উল্লিখিত হোৱা নাছিল। এই বিবৃতিবোৰ এনেধৰণৰ:-

(১) "মানুহগৰাকীক স্বামীয়ে দিয়া বস্তু লৈ তেওঁ সন্তুষ্ট আছিল।"

(২) "চৰকাৰী একাউণ্টৰ পৰা দেখা যায় যে, তেওঁৰ স্বামীৰ আবাসস্থল অনুসৰি তেওঁক দিয়া ভূমি নিজৰ দখলত আছিল।"

(৩) "ঠিক যেনেদৰে বাদীৰ দখলত তেওঁৰ গহনা আছে, ঘৰৰ আন মহিলাবোৰৰো নিজ দখলত গহনা আছে। অবিভক্ত পৰিয়ালৰ ইয়াত কোনো ধৰণৰ অধিকাৰ নাই।"

আৰু (4) "ঘৰুৱা পৰিস্থিতিৰ কথা বিবেচনা কৰি আমাৰ জ্যেষ্ঠ ভাইয়ে বাদী- তৃতীয় পত্নীৰ ভৰণ-পোষণ দিছিল, ঠিক যেনেদৰে তেওঁ দ্বিতীয় পত্নীৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰিছিল।"

এই বিবৃতিবোৰ বিবাদী নং১-ৰ সাক্ষ্যৰ ভিত্তি, যি তেওঁৰ লিখিত বিবৃতিৰ ওপৰঞ্চি আছিল আৰু, তেওঁৰ লিখিত বিবৃতিত ইতিমধ্যে উল্লেখ থকা বৰ্ণনা মধ্যস্থতাকাৰীয়ে তেওঁৰ পৰা প্ৰদৰ্শক নং ৫- বিবৃতিত লাভ কৰিছিল বুলি বিবাদী ১-ৰ যুক্তি দিয়াটো বৃথা আছিল।

ৰায়দানলৈ মন কৰিলে এই স্থিতিৰ নিশ্চয়তা বুজা যায়। মধ্যস্থতাকাৰীয়ে কৈছিল যে, ন্যায়ালয়ে তেওঁক বাদী আৰু বিবাদীৰ প্লেইণ্ট আৰু লিখা বিবৃতি অনুসৰণ কৰাৰ পিছত সিদ্ধান্ত দিবলৈ নিৰ্দেশ দিছিল আৰু আদালতে

অৰ্ডাৰ(আদেশ)-ৰ সৈতে তেওঁক প্লেইণ্ট আৰু লিখিত বিবৃতি দিছিল। তেওঁ অৱশ্যে সেইকথা কয় যে, আদেশ অনুসৰি তেওঁ বিবৃতি লৈছে বাদী লগতে বিবাদী১-ৰ, এই বিবাদীজন বিবাদীৰ পৰিয়ালৰ মেনেজাৰ আছিল। লগতে কয় যে, ১ মে, ১৯২৭ চনত বাদীৰ পক্ষত বিবাদী ১-এ কৰা মধ্যস্থতা তেওঁ বিবেচনা কৰিছে, য'ত ইতিমধ্যে মৃতকে পত্নীক দিয়া ৪০একৰ মাটিৰ ওপৰঞ্চি ৮একৰ ১৭চেন্ট মাটি ভূমি জৰীপ নং ৫০৭-ৰ অধীনত বাদীক দিছে। এই সিদ্ধান্তৰ পৰা এই কথা স্পষ্ট যে, মধ্যস্থতাকাৰীয়ে গ্ৰহণ কৰা এই সিদ্ধান্তত কেৱল প্লেইণ্ট আৰু লিখিত বিবৃতিবোৰেই বিবেচনা কৰা হোৱা নাই, লগতে তেওঁ বিবাদী ১-ৰ পৰা লাভ কৰা বিবৃতি আৰু ১৯২৭-চনৰ ১মে তাৰিখৰ ইচ্ছাপত্ৰ বিবেচনা কৰিছে।

এইকথাত কোনো সন্দেহ নাই যে, বাদীৰ অনুপস্থিতিত ১নং বিবাদীৰ যুক্তি মধ্যস্থতাকাৰীয়ে শুনিছিল। এই শুনানিৰ জাননী মধ্যস্থতাকাৰীয়ে বাদীক দিয়াও নাছিল আৰু মানুহগৰাকীৰ উপস্থিতি হৈ বাদী ১-ৰ সাক্ষী শুনাৰ সুযোগ নাছিল, যাতে তেওঁ পুনৰ পৰীক্ষা কৰাৰ পৰামৰ্শ দিব বা নিজে প্ৰতিবাদী১-ৰ পুনৰ পৰীক্ষা কৰিব আৰু সম্ভৱ হ'লে, বিবাদী১-ৰ সাক্ষ্যৰ উত্তৰ হ'ব পৰাকৈ প্ৰমাণ বিচাৰিব সক্ষম হ'ব। লৰ্ড লেংডেল এম.আৰ.-ৰ উক্তি অনুসৰি *হাৰ্ভে বনাম শ্বেল্টন*[1],

"এইটো ন্যায় প্ৰশাসনৰ ক্ষেত্ৰত অতিকৈ সাধাৰণ নীতি যে, ন্যায়াধীশৰ মনক প্ৰভাৱিত কৰাৰ কোনো উৎস কোনো পক্ষক ব্যৱহাৰ কৰিবলৈ অনুমতি দিব নোৱাৰি, যাৰ অৰ্থ হৈছে, যিবোৰ উপায় আন পক্ষৰ সংস্পৰ্শলৈ অহা আৰু প্ৰতিৰোধ কৰিবলৈ সক্ষম নহয়। সংক্ষেপতে ক'বলৈ হ'লে- মুহূৰ্তৰ বাবেও চকুত নপৰাতো অসম্ভৱ আছিল যে, এইটো এক অত্যন্ত অদূৰদৰ্শী পদ্ধতি আছিল। এনে ধৰণৰ বস্তুৰ অনুমতি দিয়াতো প্ৰতিটো নীতিৰ বিৰুদ্ধ, লগতে মই সামগ্ৰিকভাৱে মাৰ্কেণ্টাইলৰ মধ্যস্থতা আৰু আইনী মধ্যস্থতাৰ মাজৰ পাৰ্থক্য অস্বীকাৰ কৰোঁ। ন্যায়ৰ প্ৰাথমিক নীতিসমূহ প্ৰতিটো ক্ষেত্ৰতে সমভাৱে প্ৰয়োগ কৰিব লাগিব। তাৰবাহিৰেও কিছুমান ক্ষেত্ৰত ব্যতিক্ৰম অনিবাৰ্য, য'ত দুয়োপক্ষৰে শুনানী ল'ব লাগিব আনপক্ষৰ উপস্থিতিত।

[1] (১৮৪৪) ৭ বিভ. ৪৫৫, পৃষ্ঠা ৪৬২।

মোকৰ্দমা কৰা বিষয়বোৰত, দুয়োপক্ষই প্ৰতিনিধিত্বৰ কৰা সময়ত আপুনি উপস্থিত থাকিব লাগিব, আৰু ন্যায় প্ৰশাসনত নিয়মীয়া আদালত অথবা মধ্যস্থতাৰ উকীল বা ব্যৱসায়ীৰ আগত, আনটো পক্ষৰ অজ্ঞাতে বিচাৰকক আচৰণ আৰু সিদ্ধান্ত প্ৰভাৱিত কৰাৰ উপায় এটা পক্ষক ব্যৱহাৰ কৰিবলৈ অনুমতি আপুনি দিব নালাগিব।

*হাৰ্ভে বনাম শ্বেল্টন* (1) এই ঘটনাত বিষয়ক লিদিং কেচ (মূল গোচৰ), ইয়াক কেৱল ইংলেণ্ডতে নহয় কিন্তু ভাৰততো অনুসৰণ কৰা হৈছে। [*গণেশ নাৰায়ণ সিং বনাম মালিদা কোয়েৰ*( 2 ) চাওক] ১মে, ১৯২৭-ৰ নিষ্পত্তিৰ বিষয়টোৰ ক্ষেত্ৰত তেওঁ(বাদী)-ৰ মতামত দিয়াৰ কোনো সুযোগ নাছিল। মধ্যস্থতাকাৰীৰ দ্বাৰা গ্ৰহণ কৰা প্ৰক্ৰিয়াটো স্পষ্টতঃ নেচাৰেল জাষ্টিচ (প্ৰাকৃতিক ন্যায়)-ৰ নীতিৰ বিপৰীত আছিল।

শ্ৰী এছ. পি. সিনহাই অৱশ্যে উপস্থাপন কৰিছিল যে, বিবাদী ১-ৰ বিবৃতি- প্ৰদৰ্শক নং ৫ লোৱা বাবে কোনো অন্যায় হোৱা নাই আৰু সেয়েহে মধ্যস্থতাকাৰী আইনী দুৰাচাৰত দোষী নাছিল। এই যুক্তি অশুদ্ধ। মধ্যস্থতাকাৰীজন অতিকৈ সন্মানীয় ব্যক্তি হ'ব পাৰে; কিন্তু তথাপিও, তেওঁৰ আচৰণ সাধাৰণ নীতিৰ সমপৰ্যায়ৰ নহয়। "এজন ন্যায়াধীশে নিজে ত্ৰুটিপূৰ্ণ সাক্ষ্যই তেওঁৰ মনত কোনো প্ৰভাৱ পৰিছিল নে নাই বুলি ক'ব নালাগিব। ৰায় প্ৰদানে ন্যায় কৰিব পাৰে: কিন্তু সাধাৰণ নীতিৰ ক্ষেত্ৰত সমৰ্থিত নহ'ব।" লৰ্ড চাঞ্চেলৰ এলডন ব্ৰুছ, *ৱাকাৰ বনামত ফ্ৰবিছাৰ*(3)।

লৰ্ড ন্যায়াধীশ নাইট ব্ৰুছৰ *হাইভ বনাম হাইভ*( 4 )-ত ন্যায়ৰ সমপৰ্যৱেক্ষণ:

"এইকথা সত্য- তেওঁ শপতনামাত কৈছে যে, সেই ব্যাখ্যাবোৰে তেওঁৰ একাউণ্টবোৰৰ ওপৰত প্ৰতিবেদন দিয়াত প্ৰভাৱিত কৰিবলৈ অনুমতি দিয়া নাছিল- আৰু মোৰ কোনো সন্দেহ নাই যে, তেওঁ সততাৰে এইটো হোৱাটো বিচাৰিছিল; কিন্তু অনুমান কৰাটো অসম্ভৱ এনে মন্তব্যবোৰে মনত যি প্ৰভাৱ পেলায়।"

---

[2] (১৯১১) ১৩ ক্ৰী.এল.যা. ৩৯৯, পৃষ্ঠা৪০১, ৪০২।
[3] (১৮০১) ৬ ভেচ. পৃষ্ঠা ৭২।
[4] (১৮৬১) ৩১ এল.জে.চ. ৪২৯।

মধ্যস্থতাকাৰীৰ ওপৰত সামান্যতমো মনযোগ নিদিয়াকৈ আমি বিবেচনা কৰিব লাগিব যে, তেওঁ আইনী দুৰাচাৰৰ দোষী আৰু যি ৰায়টো বিকৃত কৰিবলৈ পৰ্যাপ্ত আছিল।

শ্ৰী এছ. পি. সিনহাই তেতিয়া যুক্তি দিছিল যে, আইনী দুৰাচাৰৰ ভিত্তিত ৰায়টো প্ৰত্যাহ্বান জনোৱাৰ বাবে বাদীয়ে সাম্ভাব্য অধিকাৰ ত্যাগ কৰিছিল। অৱশ্যে ১নং বিবাদীয়ে কোনো ৰেহাইৰ বাবে অনুৰোধ কৰা নাই আৰু বৰ্তমান আমাৰ আগত এই পৰ্যায়ত যুক্তি দিয়াৰ বাবে তেওঁ সক্ষম নহয়।

সেয়েহে ফলাফলটো এইধৰণৰ যে, উচ্চ ন্যায়ালয়ৰ ৰায় বাহাল থাকিব নোৱাৰে। আমি আপীলৰ অনুমতি দিওঁ, উচ্চ ন্যায়ালয়ৰ ৰায় আৰু ডিক্ৰী সলনি কৰোঁ আৰু সমগ্ৰ ব্যয়ৰ সৈতে বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰী পুনৰুদ্ধাৰ কৰোঁ।

*আপীলৰ অনুমতি দিয়া হৈছে।*

'আপীলকাৰীৰ প্ৰতিনিধি: *ননুনিত লাল।*
উত্তৰদাতাৰ প্ৰতিনিধি: *এম.এছ. কে. আয়াংগাৰ।*

----------------

---------------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ

কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"